পদ খালী

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ, পেকেজিং আৰু ছিকিউৰিটি গাৰ্ড কাম কৰাৰ বাবে বহুত যুৱক-যুৱতীৰ প্ৰয়োজন। থকা-খোৱা **Free**, দৰমহা **30,000/-** টকালৈ।

PERFECT JOBSITE
(Govt. Regd.)
Dispur, Ghy-06
98640-32529
97061-96532

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

চিকিৎসা/ঔষধ

বীৰ্য্যদুৰ্বল, শীঘ্ৰপতন, লিংগশিথিলতা আদি সকলো ধৰণৰ পুৰুষ-মহিলাৰ যৌন সমস্যাৰ লগতে ডায়েবেটিছ, পাইলছ, মুখৰ দাগ, চুলিপকা/সৰা আদি সমস্যাৰ ১০০% গেৰাণ্টিযুক্ত হেজাৰ ৰোগীৰ ভৰসাৰ ঔষধ NJB HERBAL অৰ্ডাৰৰ বাবে যোগাযোগ কৰক—
88761-60129
76630-72257

NAME CHANGE

I, Meena Mittal W/O Rajesh Garg born on 01-10-1969 residing at House No. 3, Megha Residency, Garokuchi Path, Beltola Bazar, P.S-Basistha, Guwahati-781028, have changed my name to Meenakshi Garg vide affidavit dated 27-04-2018 at Guwahati.

LOST

I have lost my Prabeshika Examination 2017 Admit Card and Registration Card Bearing Roll No. 011, No-0077.
Manoj kr. Roy
Contacti No-97065-45530

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১ শাওণ বুধবাৰ ১৮ জুলাই

সূৰ্যোদয় ঃ ঘঃ ৪।৪৬।৯ **সূৰ্যাস্ত ঃ** ঘঃ ৬।১৪।১২ **তিথি ঃ** শুক্লা ষষ্ঠী, দঃ ৩৭।৪।৪৫ ৰাঃ ঘঃ ৭।৩৬।২ **নক্ষত্ৰ ঃ** উত্তৰ ফাল্গুনী দং ২২।৪০।১৩ ঘঃ ১।৫০।১৩। **জন্মত ঃ** কন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, গৰুৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী মঙল আৰু বিংশোত্তৰী ৰবিৰ দশা, ঘঃ ১।৫০।১৩ যোৱাত দেৱগণ মহিষৰ অস্থি **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্ত যোগ। ঘঃ১।৫০।১৩ যোৱাত বেশ্যাযোগ। **মৰণত দোষ ঃ** দ্বিপদ, ঘঃ ১।৫০।১৩ যোৱাত নাই, ৰাঃঘঃ ৭।৩৬।২ যোৱাত এপদ। **যোগিনী ঃ** পশ্চিমত, ৰাঃঘঃ ৭।৩৬।২ যোৱাত বায়ুকোণত। **যাত্ৰা**-শুভ, অমৃত যোগ, উত্তৰত নাই, ৰাঃঘঃ ৭।৩৬।২ যোৱাত শুভসিদ্ধি যোগ। **শুভকৰ্ম ঃ** বিবাহ ৰাঃঘঃ ৯।৩০ৰ পৰা ২।৩৩ৰ ভিতৰত (মীন, মেষ, বৃষ লগ্নত সুতহিবুক যোগত) পুংসৱন, পঞ্চামৃত, সাধভক্ষণ, জাতকৰ্ম, নামকৰণ, মুখ্যান্নপ্ৰাসন, নৱবস্ত্ৰ পৰিধান, দোকান-নাট্যাৰম্ভ, আৰোগ্য স্নান, গ্ৰহপূজা শান্তিস্বস্ত্যয়ন, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** নিমতিতা, ৰাঃঘঃ ৭।৩৬।২ যোৱাত তাল খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ আনৰ লগত তুলনা কৰাটো আপুনি ভাল নাপাব। নিজৰ ভাৱমূৰ্তিৰ প্ৰতি আপোনাৰ থকা দৃঢ়তা ৰক্ষা কৰিব পাৰিব। বিয়া-বাৰুৰ ক্ষেত্ৰত আগুৱাব পাৰে। শুভ ৰং বগা, শুভ সংখ্যা ৩।

বৃষ ঃ কিছু সন্দেহ আৰু কষ্টৰে আজি পাৰ কৰি দিলে খুব আহুকালত পৰিব নালাগিব। শৰীৰ মধ্যম। মূল কথাত মন দিলে, কিছু হ'লেও কৃতকাৰ্য হ'বই। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ১।

মিথুন ঃ ক্ৰমে দিনটো ভাল যদিও আবেলি সময়ৰ পৰা অলপ উদ্বেগ-অশান্তি দেখা যায়। দাম্পত্যতো তেনে আভাস আছে। শৰীৰ মধ্যম। শুভ ৰং মেৰুণ, শুভ সংখ্যা ৮।

কৰ্কট ঃ মন ফৰকাল নাথাকিব। কৰ্মক্ষেত্ৰত অৱশ্যে কিছু দায়িত্ব পৰিবও পাৰে। ঘৰুৱা কথাত সামান্য উদাসীনতা। ভ্ৰমণত কষ্ট। নিজৰ ৰুচিত অৱশ্যে পৰিৱৰ্তন নাপাব। শুভ ৰং পাতল সেউজীয়া, শুভ সংখ্যা ৬।

সিংহ ঃ কোনো স্বভাৱগত তেজস্বিতা কাৰো আগত নেদেখুৱাব। ইয়াক কৰ্মৰ মাজতে ব্যৱহাৰ কৰক। পিতৃ-মাতৃৰ বাবে সামান্য চিন্তা। দাম্পত্যতো কিছু চিন্তা থাকিব। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ৩।

কন্যা ঃ কৰ্মতৎপৰতা বৃদ্ধি পাব। তাৰ পৰা নতুন কৰ্মচাৰীয়ে প্ৰশংসিত হ'ব। আৰ্থিকত খুব বেয়া নহ'ব আজিৰ দিনটোত। দাম্পত্যত মধ্যম। সন্তানৰ চিন্তা-আঁত বিচাৰি নাপাব। শুভ ৰং গুলপীয়া, শুভ সংখ্যা ৫।

তুলা ঃ কোনো কামৰ বাবে চুক্তিবদ্ধ হ'ব পাৰে অথবা নতুন কোনো সংস্থাৰ পৰা স্বীকৃতি লাভ। শৰীৰ পিছে খুব ভালেৰে যোৱা টান হ'ব। শুভ ৰং বগা, শুভ সংখ্যা ৫।

বৃশ্চিক ঃ কাৰ্যকৰী সংযোগত অনুকূল। আৰ্থিকতো আশাপ্ৰদ। কিন্তু সাময়িক উৎকণ্ঠা থাকিব। মনোবল বঢ়াওক। গৃহৰ স্বাৰ্থত কিছুমানত এৰা-ধৰা কৰিব। পঢ়াত মধ্যম। শুভ ৰং নীলা, শুভ সংখ্যা ২।

ধনু ঃ আৰ্থিকৰ বাবে কৰা চেষ্টাত কিছু সুফল দেখিব। আনহাতে, বুজন পৰিমাণৰ খৰচৰ বাবেও প্ৰস্তুত থকাটো ভাল। শুভ ৰং মাটিয়া, শুভ সংখ্যা ৯।

মকৰ ঃ উৎকণ্ঠাৰে কটাব লগা হ'ব পাৰে। কৰ্মতো মন চঞ্চল হ'ব পাৰে। কোনো খবৰত বৰ সুখী নহ'ব পাৰে। আৰ্থিকতো চিন্তা। শুভ ৰং ৰঙা, শুভ সংখ্যা ১।

কুম্ভ ঃ পিছবেলা কোনো ক্ষেত্ৰত নিৰাশ হ'ব পাৰে। অৱশ্যে আগবেলা তাৰ কিছু ওলোটা ফল দেখিব। শুভ ৰং সেউজীয়া. শুভ সংখ্যা ৪।

মীন ঃ কৰ্মস্থানত আৰু পাৰিবাৰিক ক্ষেত্ৰত খুব উৎসাহজনক দেখা নাযায়। নিজে ভবা মতে সকলো দিশেই দুৱাৰ খোলা নাপাব। শৰীৰ সম্পৰ্কে সচেতন থাকক। শুভ ৰং বগা, শুভ সংখ্যা ৩।

মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠই ছিণ্ডিকেট চলোৱাৰ অভিযোগ কংগ্ৰেছৰ

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ১৭ জুলাই ঃ চৰকাৰ গঠন কৰিয়ে অসমত অবৈধ চেকগেট, ছিণ্ডিকেটৰাজ আৰু গুণ্ডাকৰ সংগ্ৰহ সমুলঞ্চে বন্ধ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দিয়া ঘোষণা অৰ্থহীন হোৱাটো চৰকাৰৰ এক লজ্জাজনক বিফলতা বুলি আজি মন্তব্য কৰে প্ৰদেশ কংগ্ৰেছ কমিটীয়ে। এক সংবাদমেলত দলৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ মুখপাত্ৰ ৰমেন বৰঠাকুৰে কয়, 'মুখ্যমন্ত্ৰীৰ অধীনত থকা গৃহ বিভাগ তথা আৰক্ষীৰ ছত্ৰছায়াত কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দিৰ মাজেৰে মেঘালয়ৰ পৰা বাংলাদেশলৈ জি এছ টি ফাকিৰে সৰবৰাহ হোৱা কয়লাৰ নামত কোটি কোটি টকা গুণ্ডাকৰ সংগ্ৰহ কৰা কথা মুখ্যমন্ত্ৰীয়ে নজনাটো তেওঁৰ বিফলতাৰহে পৰিচয়। বৰাকৰ উপৰি আজাৰা ৰেল ষ্টেছনত গুণ্ডাকৰ সংগ্ৰহ, পাণ-চুপাৰীৰ ছিণ্ডিকেট, ডিগবৈ অইল টাৰ্মিনাচত তেলৰ টেংকাৰৰ পৰা গুণ্ডাকৰ সংগ্ৰহত ডিগবৈ বিধায়ক জড়িত থকা, কয়াল কেলেংকাৰিত মাৰ্ঘেৰিটাৰ বিধায়ক জড়িত থকা আদি অভিযোগ উত্থাপিত হৈ আহিছে। এইবোৰে মুখ্যমন্ত্ৰীৰ দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত অসম গঢ়াৰ ভাষণবোৰক জীয়া কৌতুকতহে পৰিণত কৰিছে। সেয়েহে এই সকলোবোৰ তদন্তৰ আওতালৈ আহিব লাগে।'

বৰঠাকুৰে কয় যে কেৱল বৰাকৰ কয়লা কেলেংকাৰিৰ চি বি আই তদন্ত দিলে সমস্যাৰ সমাধান নহয়। আন সকলো ছিণ্ডিকেটৰ তদন্ত চি বি আইক অৰ্পণ কৰাৰ দাবীও তেওঁ উত্থাপন কৰে। প্ৰসংগক্ৰমে আজাৰাত ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক মৃগাংক বৰ্মনৰ পৃষ্ঠপোষকতাত ছিণ্ডিকেট চলা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰীৰ লগত দলৰ এইজন নেতাৰ নিবিড় সম্পৰ্ক থকা বুলিও বৰঠাকুৰে কয়।

নিউ জলপাইগুৰিত বৈদ্যুতিকীকৰণৰ কাম

ই-টেণ্ডাৰ নোটিচ নম্বৰ- ডিৱাই চিইই/চিঅ'এন/এনজেপি/ই/০৩চিডিচিচি/২০১৮-১৯ তাৰিখ ঃ ১২-০৭-২০১৮। নিম্নলিখিত কামৰ বাবে ই-টেণ্ডাৰিং প্ৰথাৰ জৰিয়তে ৰ্বৰ্কচ টেণ্ডাৰ আহ্বান কৰা হৈছে ঃ **ই-টেণ্ডাৰ নম্বৰ ঃ** ইএল/চিঅ'এন/এনজেপি/০৫/২০১৮-১৯/পিট লাইন এনএমএক্স-জেপিজেড ঃ **কামৰ নাম ঃ** নিউ জলপাইগুৰিত দুৰ্বল লাইন শ্বেড, দুৰ্বল লাইন অ'ফিচ, পিট লাইন অ'ফিচ, অভিমুখী পথৰ বৈদ্যুতিকীকৰণৰ কাম। **টেণ্ডাৰ মূল্য ঃ** ১,৪৬,৫৮,৯৩৪.৭০ টকা, **আমানত ধন ঃ** ২,২৩,৩০০/- টকা। **টেণ্ডাৰ জমা দিয়াৰ শেষ তাৰিখ আৰু সময় ঃ** ১৬-০৮-২০১৮ তাৰিখ বিয়লি ৩-০০ বজা। উল্লেখিত ই-টেণ্ডাৰৰ বিস্তাৰিত তথ্যৰ সৈতে টেণ্ডাৰ নথিপত্ৰ ১৬-০৮-২০১৮ তাৰিখ বিয়লি ৩-০০ বজালৈ **www.ireps.gov.in** ৱেবচাইটত চাব পাৰিব আৰু উত্তৰ-পূৰ সীমান্ত ৰেলৰ নিৰ্মাণ ৱেবচাইট **www.nfrlyconstruction.org** তো টেণ্ডাৰ উপলব্ধ হ'ব।

ডেপুটি চিফ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ/
নিৰ্মাণ, নিউ জলপাইগুৰি
উত্তৰ-পূৰ সীমান্ত ৰেলৱে
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

ভুল শুধৰণী নম্বৰ ১

টেণ্ডাৰ নোটিচ নম্বৰ চিঅ'এন-এনজেপি-২০১৮-জুন-০১ তাৰিখ ঃ ২৭-০৬-২০১৮ ৰ বিপৰীতে প্ৰকাশিত টেণ্ডাৰ নম্বৰ ডেপুটি চিই-চিঅ'এন-এলআইএনকে-এনজেপি-১৮-০২ ত কিছুমান সাল-সলনি ঘটোৱা হৈছে। সংশোধিত আৰু শুদ্ধ টেণ্ডাৰ নথিপত্ৰ **www.ireps.gov.in**ত চাব পাৰিব তথা উত্তৰ-পূৰ সীমান্ত ৰেলৱে/নিৰ্মাণৰ ৱেবচাইট **www.nfrlyconstruction.org** তো উপলব্ধ হ'ব।

ডেপুটি চিফ ইঞ্জিনিয়াৰ/নিৰ্মাণ,
নিউ জলপাইগুৰি
উত্তৰ-পূৰ সীমান্ত ৰেলৱে
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

বাঙালী পৰিষদৰ এন আৰ চি সমন্বয়ক হাজেলাক সাক্ষাৎ

গুৱাহাটী, ১৭ জুলাই ঃ আজি সদৌ অসম বাঙালী পৰিষদৰ এটা সঁজাতী দলে অসম ৰাজ্যিক এন আৰ চি সমন্বয়ক প্ৰতীক হাজেলাক সাক্ষাৎ কৰি আঠদফীয়া স্মাৰকপত্ৰ প্ৰদান কৰে। উক্ত সঁজাতী দলটোত সদৌ অসম বাঙালী পৰিষদৰ সভাপতি ডাঃ শান্তনু কুমাৰ সান্যাল, উপ-সভাপতি বিপুল দে, সাধাৰণ সম্পাদক সুৰেন সৰকাৰ, মুখপাত্ৰ তাপস বসু, সাংগঠনিক সম্পাদক চন্দন সেন, ৰূপন দাস সাংগঠনিক সম্পাদক, ৰীতা নাগ, সহঃ সাধাৰণ সম্পাদিকা আৰু অন্যান্য বিষয়ববীয়া উপস্থিত থাকে। হাজেলাৰ স'তে সঁজাতী দলটোৱে সন্মুখীন হোৱা সমস্যাসমূহ দাঙি ধৰে।

ৰতিকান্ত শৰ্মাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৭ জুলাই ঃ নলবাৰী জিলাৰ বৰভাগৰ কমাৰকুছি আৰক্ষী চকীৰ অন্তৰ্গত কমাৰকুছি (নাগাৰকুছি)ত জন্মগ্ৰহণ কৰা সমাজকৰ্মী ৰতিকান্ত দেৱ শৰ্মা (৭৬)ৰ যোৱা নিশা ১০ বজাত মৃত্যু হয়। নিজ জন্মস্থান বৰভাগৰ লগতে সম্প্ৰতি গুৱাহাটী পাঞ্জাবাৰীৰ বাসিন্দা শৰ্মা মৃত্যুৰ সময়লৈকে সামাজিক কামত জড়িত আছিল। পাঞ্জাবাৰীৰ নিজ বাসভৱনত মৃত্যু হোৱা শৰ্মাই বিগত বহুদিন ধৰি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ আছিল। বেংকৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৰ্মাই বৰভাগৰ কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তান এৰি যায়।

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING E-TENDER

IFB No. **AEGCL/MD/TECH-680/Deposit/GMDA (JIKA)/Narengi/PTR/IFB dtd. 16.07.2018**

Bid identification No. **AEGCL/MD/TECH-680/Deposit/GMDA(JIKA)/Narengi/PTR/BidDoc**

The Chief General Manager, AEGCL, Bijulee Bhawan, Paltan Bazar, Guwahati-1 invites online bids (E-tender) from eligible bidders for ***"Supply of 40 MVA, 132/33 kV Power Transformers with Related Services for 132/33 KV Narengi Grid Substation in Assam"*** of AEGCL.

Tender Fee : Rs. 10,000.00 (Ten Thousand only) to be paid through DD/BC.
Tender start date : 12.00 Hours of 18.07.2018
Tender end date and time : 12:00 hrs of 16.08.2018
Tender opening date and time : 14:00 hrs of 17.08.2018

Interested parties may visit www.aegcl.co.in and https://assamtenders.gov.in for IFB and bid document.

The Chief General Manager, AEGCL reserves the right to accept or reject any or all tenders without assigning any reasons thereof.

Sd/-, Chief General Manager, AEGCL

CAS/2018/09

EX-SERVICEMEN CONTRIBUTORY HEALTH SCHEME (ECHS)

1. Application are invited to engage the following on contractual basis for ECHS Dhubri :-
   (a) Dental Offr -01, Pay Rs 75,000/-PM, age 63 for ECHS PC Bongaigaon.
   (b) OIC -01, Pay Rs 75,000/-PM, Age 63 for ECHS PC Dhubri.
2. For application, terms & conditions refer our website www.echs.gov.in Contact Station Cell ECHS Rangiya at 03621-242926, 6000192628, 9159133496, 7091916600 and ECHS Polyclinic Bongaigaon & Dhubri.
3. Candidates to be well versed with **computer knowledge** and should be available for employment for minimum one year.
4. Last date of receipt of application is 30 Jul 2018. Date for interview will be intimated separately on mobile/telephone/email. On behalf of Station Commander, Stn HQ Rangiya, PIN-901182, C/o 99 APO

GNRC *Quality • Value • Trust* **স্বাস্থ্য-বাৰ্তা**

সকলোৰে বাবে স্বাস্থ্য
সকলোৰে মুখত হাঁহি

এতিয়া জিএনআৰচি হাস্পতালৰ তিনিওটা চৌহদতে মাথোঁ ৯০০ টকাতে চিটি স্কেন (ব্ৰেইন), ২৫০০ টকাতে এম আৰ আই (ব্ৰেইন) আৰু ৫০০০ টকাতে এঞ্জিঅ'গ্ৰাফী কৰাব পাৰিব।

জিএনআৰচি হাস্পতাললৈ বিনামূলীয়া এম্বুলেন্স সেৱা
ডায়েল ঃ ১৮০০-৩৪৫-০০১১ (ট'ল ফ্ৰী)

দুৰ্ঘটনাগ্ৰস্ত আৰু জৰুৰীকালীন ৰোগীৰ বাবে প্ৰথম ২৪ ঘণ্টা বিনামূলীয়া সেৱা
ডায়েল ঃ ১৮০০-৩৪৫-০০২২ (ট'ল ফ্ৰী)

* চৰ্তাৱলী প্ৰযোজ্য

info@gnrchospitals.com www.gnrchospitals.com

সন্ধান নাই ফুকনৰ ঃ আদালতত বন্ধ খামত তদন্তৰ প্ৰতিবেদন দাখিল

ৰাজ্য চৰকাৰে গঠন কৰা এছ আই টিৰ ঃ শপতনামা দাখিল কেন্দ্ৰীয় চৰকাৰৰ

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ১৭ জুলাই ঃ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ) আৰু কেন্দ্ৰীয় চোৰাংচোৱা (আই বি)ৰ জিম্মাত নাই পি চি জিৰ অন্যতম সদস্য ৰেৱতী ফুকন। পি চি জিৰ সদস্য ৰেৱতী ফুকনৰ পুত্ৰ কৌশিক ফুকনে দাখিল কৰা আবেদনৰ শুনানিৰ সময়ত কেন্দ্ৰীয় চৰকাৰে এক শপতনামাযোগে উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠক এই কথা অৱগত কৰে। লগতে পি চি জিৰ সদস্যজনৰ সন্ধানহীন হোৱাৰ পাছত গঠন কৰা বিশেষ তদন্তকাৰী গোট (এছ আই টি)ৰ তদন্তৰ প্ৰতিবেদনো আজি বন্ধখামত খণ্ড বিচাৰপীঠত দাখিল কৰে ৰাজ্য চৰকাৰে। শুনানিৰ অন্তত আজি এই কথা অৱগত কৰে ফুকনৰ অধিবক্তা দীপ্তি দ্বিবেদীয়ে। লগতে সংশ্লিষ্ট আবেদনৰ শুনানিৰ বাবে উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে কাইলৈৰ দিনটো ধাৰ্য কৰা বুলিও তেওঁ জনায়। অৱশ্যে ৰাজ্য চৰকাৰে গঠন কৰা এছ আই টিয়ে তদন্তত কি তথ্য পালে সেয়া কাইলৈ স্পষ্ট হ'ব বুলিও অধিবক্তা দ্বিবেদীয়ে কয়। উল্লেখ্য যে যোৱা ২২ এপ্ৰিলত প্ৰাতঃভ্ৰমণলৈ যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ পৰে পি চি জিৰ অন্যতম সদস্য ৰেৱতী ফুকন। সুদীৰ্ঘ তিনিমাহ ২৬ দিন উকলি যোৱাৰ পাছতো পি চি জিৰ সদস্যজনৰ কোনো সন্ধান ওলোৱা নাই। ইয়াকে লৈ উদ্বিগ্ন হৈ পৰিছে পৰিয়ালৰ লোক। জ্যেষ্ঠ নাগৰিকজনৰ সন্ধান উলিওৱাৰ ক্ষেত্ৰত কাইলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰাৰ সম্ভাৱনা থকা বুলিও অধিবক্তাই জনায়।

মিছামাৰীৰ কিশোৰ ৰঙাপৰাত সন্ধানহীন

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৭ জুলাই ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰাত মিছামাৰীৰ এজন কিশোৰ দিন দুপৰতে সন্ধানহীন হোৱাৰ পাছতে পৰিয়ালৰ লোক শংকিত হৈ পৰিছে। এই সন্দৰ্ভত কিশোৰজনৰ জ্যেষ্ঠ ভ্ৰাতৃ ইক্ৰামুল হুছেইনে কালি ৰঙাপৰা আৰক্ষী থানাত দাখিল কৰা এজাহাৰখনত উল্লেখ কৰে যে মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত লোহাদাং গাঁৱৰ নিবাসী ছান মিঞাৰ পুত্ৰ ৰজৰ আলী (১৫) প্ৰত্যেক সপ্তাহৰ দৰে যোৱা ১৭ জুলাইত ৰঙাপৰাৰ বৰজুলিৰ হাটখোলাৰ দেওবৰীয়া সাপ্তাহিক বজাৰখনলৈ আহিছিল।

বজাৰখনত থকা নিজৰ গেলামালৰ দোকানত পিতৃ আৰু জ্যেষ্ঠ ভ্ৰাতৃৰ স'তে বহি ৰজৰে গ্ৰাহকক বস্তু বিক্ৰী আছিল। দিনৰ প্ৰায় তিনি বজাত কিশোৰজনক ভাত খাবলৈ পঠিয়ায় দিয়াৰ পাছৰে পৰা হঠাৎ সন্ধানহীন হৈ পৰে। দিনতে এজন কিশোৰ জনসমাগমৰ মাজৰ পৰা বাতৰি লিখা পৰলৈকে সন্ধানহীন হৈ থকাত পৰিয়ালবৰ্গ শংকিত হৈ পৰিছে। ইফালে, উদ্বিগ্ন পৰিয়ালটোৱে কিশোৰজনৰ সন্ধানহীন হোৱা ঘটনাৰ সন্দৰ্ভত আজি মিছামাৰী আৰক্ষীক অৱগত কৰিছে।

ছহিদ হিমাংশু তামুলীক সোঁৱৰণ

ছহিদ পৰিয়ালৰ এজনক কৰ্ম সংস্থাপনৰ দাবী

অগ্ৰদূত বাৰ্তা

টিহু, ১৭ জুলাই ঃ নলবাৰী জিলাৰ দ্বিতীয়টো মহকুমা টিহুক সদৰ হিচাপে লৈ টিহু মহকুমা ঘোষণাৰ দাবী আন্দোলনত চি আৰ পি এফৰ গুলিত নিহত আছুৰ ছহিদ হিমাংশু তামুলীৰ তৃতীয় মৃত্যুবাৰ্ষিকী আজি টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পালন কৰা হয়। উল্লেখ্য যে টিহু মহকুমা প্ৰস্তুতি সমিতিয়ে টিহু মহকুমা ঘোষণাৰ দাবীত দীৰ্ঘদিন ধৰি চলোৱা গণতান্ত্ৰিক আন্দোলনৰ অংশৰূপে ২০১৫ৰ ১৭ জুলাইত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কাৰ্যসূচী পালন কৰিছিল। শান্তিপূৰ্ণভাৱে চলি থকা এই কাৰ্যসূচীত চি আৰ পিৰ গুলিচালনাত টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য তথা টিহু হাইস্কুলৰ ছাত্ৰ হিমাংশু তামুলী গুলিবিদ্ধ হৈ নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। তৃতীয় মৃত্যুবাৰ্ষিকী উপলক্ষে টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ছহিদ স্মৃতি উদ্যানত বিয়লি বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। ইপিনে, টিহু নগৰৰ দাঁতিকাষৰীয়া ভদ্ৰকুছি গাঁৱৰ দীপজ্যোতি সংঘৰ উদ্যোগতো দিনজোৰা কাৰ্যসূচীৰে মৃত্যুবাৰ্ষিকী পালন কৰা হয়। মৃত্যু তিথিত টিহু আঞ্চলিক ছাত্ৰ সন্থা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু ৰাজহুৱা পুথিভঁৰাল সমিতিয়ে মহকুমাৰ সৰ্বদিশৰ কাম-কাজ সম্পূৰ্ণ কৰিবলৈ আৰু হিমাংশু তামুলীৰ পৰিয়ালৰ এজনক শীঘ্ৰে কৰ্মসংস্থান দিবলৈ চৰকাৰক দাবী জনাইছে।

কোচ সাহিত্য আৰু সাংস্কৃতিক ফ'ৰাম গঠন

৯৫ শতাংশ কোচে নিজৰ ভাষাটো পাহৰিছে ঃ জাজাং

মহানগৰ বাৰ্তা

গুৱাহাটী, ১৭ জুলাই ঃ সামাজিক ৰাজনৈতিক কাৰণত পৰিচয়গত তথা ভাষিক সাংস্কৃতিকভাৱে বিভক্ত হৈ থকা কোচ জনগোষ্ঠীৰ মানুহখিনিক পুনৰায় 'কোচ' নামত ঐক্যবদ্ধ কৰাৰ লক্ষ্যৰে গঠন কৰা হৈছে এখন ফ'ৰামৰ। শৈক্ষিক আৰু সাংস্কৃতিকভাৱে কাম কৰি যোৱাৰ লগতে বিভিন্ন ভাষাৰ আগ্ৰাসনত লুপ্তপ্ৰায় তিব্বত-বৰ্মী কোচ ভাষাটোক পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে কোচ সাহিত্য আৰু সাংস্কৃতিক ফ'ৰাম নামৰ এই সংগঠনটো আজি গঠন কৰা হয়। নৱগঠিত সংগঠনটোৰ সভাপতি হ'ব জাজাং কামা কোচ। ঐতিহাসিক কোচ সাম্ৰাজ্যত বিকশিত হোৱা দেশী ভাষা যিটো পালি প্ৰাকৃত, মাগধী ভাষাৰ পৰা সৃষ্টি হোৱা এই ভাষাটোৰে এসময়ত কোচ ৰাজ্যৰ বৰ্ণ নিৰ্বিশেষে সকলোৱে ভাব বিনিময় কৰিছিল। সেয়েহে এই ভাষাটোৰ নাম উক্ত অঞ্চলত থকা সকলো জনগোষ্ঠীয়ে স্বতঃস্ফূৰ্তভাৱে দেশী ভাষা বুলি কৈছিল। এই সন্দৰ্ভত সভাপতি কোচে আজি অনুষ্ঠিত এখন সংবাদমেলত কয় 'সম্প্ৰতি সময়ত কোচসকলৰ মাজত মাত্ৰ পাঁচ শতাংশ লোকেহে কোচ ভাষা কয়। ৯৫ শতাংশ কোচ মানুহে নিজৰ ভাষাটো পাহৰি গৈছে।' সংগঠনটোৰ প্ৰচাৰ সচিব জাচিং হাৰি কোচে সংবাদমেলত কয়, 'আমি এই সংগঠনটোৰে নতুন প্ৰজন্মৰ আগত যাতে ভাষাটো হেৰাই নাযায় আৰু নতুন প্ৰজন্মই ভাষাটো শিকিব পাৰে তাৰ বাবে বিভিন্ন ঠাইত কৰ্মশালা অনুষ্ঠিত কৰিম।' কোচ সকলৰ বিভিন্ন দল-সংগঠনসমূহক একেখন মঞ্চত আহি আলোচনা কৰি কোচসকলৰ মাজত থকা বিভ্ৰান্তিবিলাক দূৰ কৰিবলৈ আজিৰ সংবাদমেলযোগে আহ্বান জনায়। সংগঠনটোৱে কোচ (ৰাজবংশী) সকলক জনজাতিকৰণৰ পাছত যাতে কোনো ধৰণৰ বিসংগতিৰ সৃষ্টি নহয় তাৰ বাবে সকলো কোচ জনসাধাৰণক নিজৰ নামত পাছত স্বজাতীয় গোত্ৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সুবিধাবাদী শক্তিসমূহে ইয়াৰ সুবিধা লৈ জনজাতিৰ প্ৰাপ্য অধিকাৰ কাঢ়ি লৈ প্ৰকৃত জনজাতিৰ সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰে তাৰ বাবে সচেষ্ট হৈ থাকিবলৈকো আহ্বান জনায়। কোচ ৰাজবংশীৰ পৰিৱৰ্তে কোচ নামেৰে জনগোষ্ঠীটোক জনজাতিকৰণ কৰিব লাগে বুলি চৰকাৰক দাবী জনায় সংগঠনটোৰ সভাপতি জাজাং কামা কোচে। কোচ ৰাজবংশী নামত জনজাতিকৰণ কৰিলে প্ৰকৃত কোচৰ লগতে আন জনজাতিসকলো জনজাতিৰ সুবিধাৰ পৰা বঞ্চিত হ'ব বুলি আশংকা প্ৰকাশ কৰিছে সংগঠনটোৱে।

মঙলদৈ পৌৰসভাত বজাৰগৃহ আবণ্টনত অনিয়মৰ অভিযোগ

বিশেষ সংবাদদাতা

মঙলদৈ, ১৭ জুলাই ঃ মঙলদৈ পৌৰসভাৰ অন্তৰ্গত দৈনিক মাছ বজাৰত পাইকাৰী মাছ বিক্ৰী কোঠা আবণ্টনৰ নামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি মঙলদৈ পৌৰসভাই পাইকাৰী মাছ বিক্ৰী ব্যৱসায়ীসকলক বজাৰগৃহ আবণ্টন দিয়াৰ উদ্দেশ্যে ২০১৬ৰ ১৩ মে'ত পৌৰসভাৰ জাননী মৰ্মে ভালেকেইজন ব্যৱসায়ীয়ে কোঠা বিচাৰি আবেদন কৰে। সেই অনুসৰি পৌৰসভাই আবেদনকাৰীৰ মাজত সাক্ষাৎকাৰ অনুষ্ঠিত কৰি ১০ জন ক্ষুদ্ৰ ব্যৱসায়ীক ১০ টা কোঠা আবণ্টন দিয়ে। কিন্তু পৌৰ কৰ্তৃপক্ষই প্ৰকৃত মাইমল তথা অনুসূচিত জাতিৰ মাছ ব্যৱসায়ীক বঞ্চিত কৰি আন একাংশ লোকক বজাৰ গৃহ আবণ্টন দিয়া বুলি একাংশ বঞ্চিত মাছ ব্যৱসায়ীয়ে অভিযোগ কৰিছে। উল্লেখ্য যে মঙলদৈ চহৰৰ নিকটৱৰ্তী ৰৌমাৰী কো-অঃ ফিছাৰী ছ'চাইটি' লিমিটেড নামৰ মাছ ব্যৱসায়ী সংসস্থাটোৱে আবেদন কৰিও বজাৰগৃহ আবণ্টন লাভ নকৰাটো ৰহস্যজনক বুলি ক্ষুব্ধ ব্যৱসায়ীসকলে উল্লেখ কৰিছে। চহৰখনৰ একাংশ ব্যৱসায়ীক বুজাবুজিৰে বজাৰ গৃহ আবণ্টন দিয়াত ক্ষুব্ধ হৈ তথ্য জনাৰ অধিকাৰ আইন-২০০৫ৰ জৰিয়তে তথ্য বিচাৰি আবেদন কৰাৰ পাছতো পৌৰসভাই তথ্য যোগান নধৰাৰ অভিযোগ কৰিছে আবেদনকাৰী দিলীপ দাসে। পৌৰসভাৰ এনে অনিয়ম আৰু তথ্য যোগানত কৰা হেমাহিৰ বিৰুদ্ধে উপায়ুক্তকো দৃষ্টিগোচৰ কৰা হৈছে।

No. FAAMCH/B&CT-17-19/1163/2018/**967** Date-17/07/2018

NOTICE INVITING TENDER

Sealed quotation affixing non-refundable Court fee stamp of Rs. 8.25 (Rupees eight and twenty five paisa) only are invited from reputed **Govt. Registered Supplier/Firms** for **the supply of Liveries/ Bedding & Clothing items** which are required for F.A.A. Medical College & Hospital, Barpeta.

The Tender documents containing detailed information/terms and conditions for the purpose can either be obtained from the Office of Medical Superintendent, from **18/07/2018 to 07/08/2018 between 11 a.m. to 3 p.m.** with non-refundable payment of Rs. 500/- or may be downloaded from the website http://faamcassam.co.in Those who download the tender documents from the website should enclose the DD/bankers cheque of Rs. 500/-(Rupees five hundred only) (non-refundable) in favour of Superintendent, FAAMCH. The tender documents are non refundable.

The last date and time of submission of tender is 7th August, 2018 up to 1.00 p.m and the tender will be opened on the same day at 1.30 p.m. in presence of the intending suppliers or their authorized representatives. The tenders are to be submitted to the office of the Superintendent, F.A.A. Medical College Hospital, Barpeta on all the working days during office hours.

Sd/-
Superintendent
F.A.A. Medical College Hospital
Barpeta, Assam

Janasanyog/C/2431/18

(Annexure-I)

গৃহৰক্ষী বাহিনীৰ কৰ্তব্যত সংস্থাপন সন্দৰ্ভত জাননী
দৰং জিলা গৃহৰক্ষী স্বেচ্ছাসেৱকৰ বাবে

নং ঃ এম এইচ জি/০২/ তাৰিখ ঃ ১৬-০৭-২০১৮

দৰং জিলা (গ্ৰাম্য ও নগৰ) প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱক/সেৱিকাৰ পৰা বিভিন্ন প্ৰতিষ্ঠান (**Agency**)ত দৰং আৰু ওদালগুৰি জিলাত অস্থায়ী নিযুক্তিৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে। যোগ্য আৰু চৰ্তসাপেক্ষে গৃহৰক্ষী স্বেচ্ছাসেৱক, অসম গৃহৰক্ষী (সংশোধিত) আইন ২০১৫ মৰ্মে ঃ—

১) পদৰ সংখ্যা ঃ দৰং ৪৫টা, ওদালগুৰি ৩৫টা মুঠতে ৮০টা।
২) নিযুক্তিৰ স্থান ঃ দৰং আৰু ওদালগুৰি জিলা।
৩) শিক্ষাগত অৰ্হতা ঃ
ক) অষ্টম শ্ৰেণী।
খ) দৰং আৰু ওদালগুৰি জিলাৰ গৃহৰক্ষী স্বেচ্ছাসেৱক/ সেৱিকা প্ৰমাণ পত্ৰ অসম গৃহৰক্ষী (সংশোধিত) আইন ২০১৫ মৰ্মে।
৪) অগ্ৰাধিকাৰ অৰ্হতা ঃ ক) ড্ৰাইভিং লাইচেঞ্চ।
খ) কম্পিউটাৰ প্ৰমাণ পত্ৰ।
৫) বয়স ঃ ক) উচ্চসীমা ৫৫ বছৰ। (৩৫ বছৰ তলৰ অগ্ৰাধিকাৰ)
খ)বয়সৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।
৬) আবেদন জমা দিয়া তাৰিখ ঃ
ক)১৮-০৭-২০১৮ৰ পৰা ২৫-০৭-২০১৮ তাৰিখলৈ।
৭) দৈনিক মজুৰি ঃ ক) ৩০০.০০ টকা প্ৰতিদিনে বুনিয়াদী গৃহৰক্ষী স্বেচ্ছাসেৱকৰ বাবে।
খ) ৩১৫.০০ টকা প্ৰতিদিনে উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱকৰ বাবে।
৮) দৰকাৰী টোকা ঃ

■ গৃহৰক্ষী স্বেচ্ছাসেৱকৰ তালিকা প্ৰথম অহা প্ৰথম অগ্ৰাধিকাৰ যিসকল স্বেচ্ছাসেৱকে ১ বছৰ ধৰি কৰ্তব্য কৰা নাই, তেওঁলোকক প্ৰথমে অগ্ৰাধিকাৰ, স্বভাৱ, দক্ষতা, সুস্থতা ভিত্তিত সাম্ভাব্য খালী পদত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব। ভ্ৰমণ বানচ/দৈনিক ভাট্টা দিয়া নহ'ব।

■ ওপৰত উল্লেখিত নিৰ্ধাৰিত মজুৰি আৰু বিভিন্ন সংস্থাই দক্ষতাৰ ভিত্তিত কিছুমান অতিৰিক্ত ভাট্টা দিবও পাৰে।

■ অসম গৃহৰক্ষী স্বেচ্ছাসেৱক পূৰ্ণভাৱে স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকা স্থায়ী পদবীৰ বাবে আইন মতে দাবী কৰিব নোৱাৰিব। গৃহৰক্ষী স্বেচ্ছাসেৱক/সেৱিকাসকলক কোনো অপপ্ৰচাৰত প্ৰভাৱিত নহ'বলৈ অনুৰোধ জনোৱা হ'ল।

■ কোনো গৃহৰক্ষী স্বেচ্ছাসেৱক/সেৱিকাই সম্ভাব্য খালী পদত অস্থায়ী নিযুক্তিৰ ক্ষেত্ৰত নিৰ্দিষ্ট স্থান দাবী কৰিব নোৱাৰিব।

■ নিম্ন স্বাক্ষৰকাৰীয়ে আবেদনৰ ক্ষেত্ৰত সলনি/ সংশোধন/ গ্ৰহণ/ অগ্ৰাহ্য আদিত আবেদনকাৰীক নজনোৱাকৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ অধিকাৰ থাকিব।

স্বাক্ষৰ
জিলা অধিনায়ক
গৃহৰক্ষী বাহিনী দৰং, অসম

জনসংযোগ/ডি/২৯৮৮/১৮